# 2016

## ASSAMESE

( Major )

Paper : 5.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) শ্ৰীকৃষ্ণৰ শৈশৱৰ লীলাক্ষেত্ৰখনৰ নাম কি ?

(খ) শ্ৰীকৃষ্ণক বৃন্দাবনৰ পৰা মথুৰালৈ নিবলৈ অহা ব্যক্তি-গৰাকী কোন আছিল ?

(গ) বৈষ্ণৱ ৰস-সাধনাত কোন ৰসক সৰ্বোচ্চ স্থান দিয়া হৈছে ?

(ঘ) 'ব্ৰজবুলি গীতিগুচ্ছ' গ্ৰন্থখনৰ সম্পাদকগৰাকীৰ নাম কি ?

(ঙ) মৈথিলী ভাষাত ৰচিত বিদ্যাপতিৰ একমাত্ৰ গ্ৰন্থখনৰ নাম কি ?

(চ) বঙ্গদেশৰ ব্ৰজবুলি কাব্যপৰম্পৰাৰ এগৰাকী প্ৰধান কবিৰ নাম লিখা।

(ছ) বৈষ্ণৱ সাহিত্যত 'অভিনৱ জয়দেৱ' বুলি কোনগৰাকী কবিক কোৱা হয়?

২। উত্তৰ লিখা : ২×৪=৮

(ক) শ্ৰীৰূপ গোস্বামীয়ে আদৰ্শ নায়ক আৰু আদৰ্শ নায়িকা বুলি কোন দুগৰাকী নায়ক-নায়িকাক বুজাইছে?

(খ) জ্ঞানদাসে কোন দুটা ভাষাত তেওঁৰ পদাৱলী সাহিত্য ৰচনা কৰিছিল?

(গ) গোবিন্দদাস কোনগৰাকী কবিৰ ভাবশিষ্য আছিল? কি জাতীয় পদ ৰচনাত গোবিন্দদাসৰ কৃতিত্ব আটাইতকৈ বেছি?

(ঘ) শংকৰদেৱৰ প্ৰথম বৰগীত কোনটো? এই বৰগীতটো তেওঁ ক'ত থাকোঁতে ৰচনা কৰিছিল?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) শূন্য ভৈল অঙ্গিনা বিৰিন্দা-বিপিন।
না সোহে ৰয়নী জৈছে চান্দ-বিহীন॥

(খ) ঝম্পি ঘন গৰজন্তি সন্তত
ভুবন ভাৰি বৰসন্তিয়া।
কন্ত পাহুন কাম দাৰুণ
সঘনে খৰ সৰ হন্তিয়া॥

(গ) না খোঁজলুঁ দূতি না খোঁজলুঁ আন।
দুহুক মিলনে মধ্যত পাঁচ-বাণ॥
অব সো বিৰাগে তুহু ভেলি দূতি।
সুপুৰুখ প্ৰেমক ঐছন ৰীতি॥

(ঘ) সো বহু বল্লভ জগজন দুৰ্ল্লভ
তেজলি নিজ মনসাধে।

(ঙ) খালি উদৰে হৰি হাত নিবেশিয়ে
দেখত বোলত বাণী।
আপুন তনয়কহো দুখ দেখিয়ে মাই
নয়নে ঝুৰাৰত পানী॥

৪। (ক) ব্ৰজবুলি ভাষাৰ উৎপত্তি, এই ভাষাৰ শব্দসম্ভাৰ আৰু ব্যাকৰণগত বৈশিষ্ট্য সম্পৰ্কে চমুকৈ আলোচনা কৰা। ৪+৩+৩=১০

*অথবা*

ব্ৰজবুলি ভাষা সম্পৰ্কে তোমাৰ ধাৰণা অৱগত কৰি অসমৰ ব্ৰজবুলি সাহিত্যৰ বিষয়ে চমুকৈ আলোচনা কৰা। ২+৮=১০

(খ) ব্ৰজবুলি সাহিত্যত 'মাথুৰ বিৰহ' শব্দ দুটাৰ তাৎপৰ্য কি? তোমাৰ পাঠৰ আধাৰত 'মাথুৰ বিৰহ' শীৰ্ষক গীতকেইটাৰ চমু সমীক্ষা আগবঢ়োৱা। ২+৮=১০

*অথবা*

উপযুক্ত উদ্ধৃতিৰে বিদ্যাপতি আৰু শংকৰদেৱৰ গীতসমূহৰ মাজত থকা সাদৃশ্য-বৈসাদৃশ্যসমূহ আলোচনা কৰা। ৫+৫=১০

(গ) ৰায় ৰামানন্দৰ চমু পৰিচয় দাঙি ধৰি তেওঁৰ কাব্যকৃতি সম্পৰ্কে চমুকৈ লিখা।  ৫+৫=১০

*অথবা*

পদাৱলী সাহিত্যত কেইপ্ৰকাৰৰ নায়িকাৰ বিষয়ে উল্লেখ কৰা হৈছে? প্ৰত্যেকবিধ নায়িকাৰ বিষয়ে চমুকৈ আলোচনা কৰা।  ১০

★★★